# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-03-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - -**

বড়োলেণ্ডৰ উন্নয়নৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কোকৰাঝাৰত প্ৰকাশ কৰিছে। কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিবেশনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শ্ৰীশ্বাহে কয় যে কেন্দ্ৰীয় চৰকাৰ বড়ো চুক্তিৰ সকলো দফা ৰূপায়ণ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই চুক্তিৰ ৮২ শতাংশ দফা ইতিমধ্যে ৰূপায়ণ কৰা হৈছে বুলি তেওঁ সদৰি কৰে। চুক্তিৰ বাকী থকা দফাসমূহ অহা দুবছৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। পূৰ্বে বড়োলেণ্ড হিংসাৰ বাবে জনাজাত আছিল বুলি উল্লেখ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে সম্প্ৰতি এই অঞ্চলৰ যুৱ চামে উন্নয়নক অগ্ৰাধিকাৰ দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিক্-দৰ্শনত এই অঞ্চলৰ যুৱ চাম মূলসুঁতিলৈ ঘূৰি অহা বুলি উল্লেখ কৰি তেওঁ বি টি আৰত সম্প্ৰতি শান্তি বিৰাজ কৰা বুলিও মন্তব্য কৰে। নতুন দিল্লীত শীঘ্ৰেই উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামেৰে এটা পথৰ নামকৰণ কৰা হ'ব বুলিও শ্ৰীশ্বাহে সদৰি কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বি টি আৰ অঞ্চলৰ শৈক্ষিক আন্তঃগাঁথনি ত্বৰান্বিত কৰাৰ বাবে কেইবাটাও প্ৰকল্পৰ বিষয়ে ঘোষণা কৰে। বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ মূল্যবোধৰ দৰ্শন সকলোৰে বাবে পথ প্ৰদৰ্শক স্বৰূপ বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

অসম আৰক্ষীৰ কনিষ্টবল আৰু সমপৰ্যায়ৰ অন্যান্য পদসমূহৰ বাবে লিখিত পৰীক্ষা ২৩ মাৰ্চৰ পৰিবৰ্তে ৬ এপ্ৰিলত অনুষ্ঠিত হ'ব। অসম আৰক্ষীৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদে আজি এখন জাননীযোগে এই কথা ঘোষণা কৰিছে। প্ৰশাসনিক কাৰণত পৰীক্ষাৰ দিন সলনি কৰা হৈছে বুলি পৰিষদে জানিবলৈ দিছে। লিখিত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে যোগ্য প্ৰাৰ্থীসকলে ১ এপ্ৰিলৰ পুৱা ১১ বজাৰ পৰা প্ৰৱেশ পত্ৰসমূহ ডাউনলোড কৰিব পাৰিব।

০০০০০

সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ আৰু অধিবক্তা পৰিষদৰ যুটীয়া উদ্যোগত আজি গুৱাহাটীৰ আছাম ৰয়েল গ্লোবেল ইউনিভাৰ্চিটী প্ৰাঙ্গনত সীমান্ত আইন সংহিতাকৰণ আৰু সীমা ব্যৱস্থাপনাৰ বাবে আইন কাঠামো সন্দৰ্ভত দিনজোৰা কাৰ্যসূচীৰে এখন আলোচনা চক্ৰৰ আয়োজন কৰা হয়। আই আলোচনাত দেশৰ ৰাষ্ট্ৰীয় নিৰাপত্তা তথা সীমা ব্যৱস্থাপনা সম্পূৰ্ণ কটকটীয়া আৰু সুৰক্ষিত কৰাৰ উদ্দেশ্যে সীমান্ত আইন সংহিতাকৰণৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানত তামিলনাডুৰ ৰাজ্যপাল আৰ এন ৰবি, আইন আৰু ন্যায় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ০০০০০

০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে তেওঁলোকৰ মনোনয়ন দাখিল কৰে। পৰিষদৰ অন্তৰ্গত মুঠ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মুঠ ৫৫ গৰাকী আৰু কামৰূপ জিলাৰ ১৬টা সমষ্টিৰ বাবে ৫২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে।

কামৰূপ জিলাৰ ১৬টা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীসকলে সংশ্লিষ্ট সহকাৰী ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন পত্ৰসমূহ দাখিল কৰে। বামুনীগাঁও পৰিষদৰ বাবে মনোনয়ন দাখিলৰ সময়ত বিজেপি প্ৰাৰ্থীগৰাকীৰ লগত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। এইবেলি ৰাভা-হাচং পৰিষদীয় নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু বিজেপিৰ দলে পূৰ্বৰ মিত্ৰতা অক্ষুণ্ণ ৰাখি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সেয়েহে ৩৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত ৩০টাত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু ৬টা বিজেপি দলে প্ৰাৰ্থী দিয়ে। উল্লেখযোগ্য কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থীসকলে ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু একেদিনাই বিয়লি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব। oooooo

ooooo

কেন্দ্ৰীয় খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰ্যালয়ৰ ৰাজ্যমন্ত্ৰী ৰৱনীত সিঙে আজি তামুলপুৰ জিলাৰ কেইবাটাও ক্ষুদ্ৰ উদ্যোগ পৰিদৰ্শন কৰি আত্মসহায়ক গোটৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে ক্ষুদ্ৰ উদ্যোগ উদ্যোগীকৰণৰ ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে মৌ-মাখি পালন আৰু প্ৰক্ৰিয়াকৰণ, ধানবনা কল, সৰিয়হ তেলৰ কল আদি পৰিদৰ্শন কৰি ক্ষুদ্ৰ উদ্যোগসমূহৰ পৰা উৎপাদিত সামগ্ৰীসমূহ দেশৰ বিভিন্ন প্ৰান্তলৈ ৰপ্তানি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। আজিৰ এই পৰিদৰ্শন কালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক বিটিআৰৰ মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভা আৰু তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে সংগ দিয়ে।

ooooo

মানাহ ৰাষ্ট্ৰীয় উদ্যানত সম্প্ৰতি বিভিন্ন জীৱ জন্তুৰ লগতে বাঘৰ মুক্ত বিচৰণৰ দৃশ্যই দেশী-বিদেশী পৰ্যটকক আনন্দিত কৰি তুলিছে। কালি বিয়লি ৰাষ্ট্ৰীয় উদ্যানখনত এটি প্ৰকাণ্ড ঢেকীয়াপতিয়া বাঘৰ মুক্ত বিচৰণে পৰ্যটকসকলক আমোদ দিয়া পৰিলক্ষিত হয়। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাহবাৰী ৰেঞ্জৰ জংঘলত এই ঢেকীয়াপতিয়া বাঘটোৰ বিচৰণ কৰি থকা পৰ্যটকসকলে প্ৰত্যক্ষ কৰে।

ooooo

সমাপ্ত